**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 08-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। বিজেপিৰ সাংসদ ৰবিশংকৰ প্ৰসাদৰ নেতৃত্বৰ সৰ্বদলীয় সংসদীয় প্ৰতিনিধি দলৰ জাৰ্মানী ভ্ৰমণৰ কালি সামৰণি পৰে।

২। ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী ডেভিদ লেমিয়ে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে।

৩। অসমৰ বান পৰিস্থিতি উন্নত হৈছে যদিও ১২ খন জিলাৰ ৩ লাখ ৩০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে।

৪। মণিপুৰ চৰকাৰে যোৱা নিশা ১১ বাজি ৪৫ মিনিটৰ পৰা কাৰ্যকৰী হোৱাকৈ ৫ দিনৰ বাবে ৰাজ্যখনৰ পাঁচখন জিলাত ইণ্টাৰনেট আৰু ম'বাইল ডাটা সেৱা বন্ধ কৰিছে।

*আৰু*

৫। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক'ক' গ'ফে ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগিতাৰ মহিলা ছিংগলছৰ খিতাপ অৰ্জন কৰিছে।

ooooo

বিজেপিৰ সাংসদ ৰবিশংকৰ প্ৰসাদৰ নেতৃত্বৰ সৰ্বদলীয় সংসদীয় প্ৰতিনিধি দলৰ জাৰ্মানী ভ্ৰমণৰ কালি সামৰণি পৰে। এই ভ্ৰমণ কালত দলটোৱে জাৰ্মানীৰ শীৰ্ষ ৰাজনৈতিক নেতৃত্ব, নীতি প্ৰনেতা আৰু চিন্তাবিদসকলৰ আগত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ দৃঢ় আৰু নীতিগত স্থিতিৰ বিষয়ে অৱগত কৰোৱাৰ লগতে ভাৰত-জাৰ্মানীৰ কৌশলগত সম্পৰ্কৰ শক্তিশালীকৰণটো গুৰুত্ব আৰোপ কৰা হয়। প্ৰতিনিধি দলটোৱে বাৰ্লিনত দেশখনৰ চৰকাৰ আৰু সংসদৰ জ্যেষ্ঠ প্ৰতিনিধিসকলৰ সৈতে আলোচনাত মিলিত হৈ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ নীতি আৰু সীমান্তৰে হোৱা সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ বাবে গ্ৰহণ কৰা কৌশলৰ বিষয়ে অৱগত কৰে। প্ৰতিনিধি দলটোৱে সন্ত্ৰসবাদী আক্ৰমণৰ বিৰুদ্ধে ভাৰতে চলোৱা অপাৰেচন সিন্দূৰৰ বিষয়ে অৱগত কৰায়। প্ৰতিনিদি দলটোৱে বিদেশ নীতি আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সক্ৰিয় জাৰ্মান সংসদৰ জ্যেষ্ঠ সদস্যসকলৰ লগতে আগশাৰীৰ চিন্তাবিদ কনৰাড এডেনায়ৰ ষ্টিফটাঙৰ সৈতে মত বিনিময় কৰে। প্ৰতিনিধি দলটোৱে দেশখনত থকা ভাৰতৰ ৰাষ্ট্ৰদূত অজিৎ গুপ্তাই আয়োজন কৰা অভ্যৰ্থনা অনুষ্ঠানত দেশখনৰ চিন্তাবীদ আৰু বিশিষ্ট ব্যক্তিসকলৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনা কালত সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ ক্ষেত্ৰত পাৰমাণৱিক ভাবুকিক গুৰুত্ব দিয়া উচিত নহয় বুলিও মন্তব্য কৰে।

এই আলোচনাত অংশগ্ৰহণ কৰা জাৰ্মানীৰ বিশিষ্ট ব্যক্তিসকলে ভাৰতৰ স্থিতিক সমৰ্থন কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজখন আন্তঃৰাষ্ট্ৰীয় সমুদায়ে ঐক্যবদ্ধভাৱে চলোৱাৰ প্ৰয়োজন বুলি মন্তব্য কৰে। তেওঁলোকে লগতে উভয়

দেশৰ কৌশলগত অংশীদাৰিত্বক দৃঢ় কৰাৰ অংশ হিচাপে প্ৰতিৰক্ষা, নিৰাপত্তা আৰু সন্ত্ৰাসবাদ বিৰোধী অভিযানত ভাৰত আৰু জাৰ্মানীৰ সহযোগিতাৰ বিষয়েও আলোচনা কৰে। প্ৰতিনিধি দলটোৱে দেশখনত থকা প্ৰবাসী ভাৰতীয়সকলৰ প্ৰতিনিধিৰ সৈতেও আলোচনাত মিলিত হয়। ৰবিশংকৰ প্ৰসাদে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত প্ৰবাসী ভাৰতীয়সকলে দেশৰ প্ৰতি আগবঢ়োৱা সমৰ্থনৰ প্ৰশংসা কৰে।

ooooo

ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী ডেভিদ লেমিয়ে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। সাক্ষাৎ কালত প্ৰধানমন্ত্ৰী মোদীয়ে উভয় দেশৰ মাজত বৰ্ধিত দ্বিপাক্ষিক সম্পৰ্কৰ প্ৰতি আদৰণি জনায় আৰু ভাৰত-ব্ৰিটেইন সৰ্বাত্মক সহযোগিতা গভীৰ হোৱাৰ বিষয় লৈ সন্তুষ্টি প্ৰকাশ কৰে। বিদেশ মন্ত্ৰী ডেভিদ লেমিয়ে বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা আৰু সুৰক্ষা, প্ৰযুক্তি, উদ্ভাৱন আৰু নিকা শক্তিকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে।

দুয়োগৰাকী নেতাই বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈও মত বিনিময় কৰে। অভ্যাগত বিদেশ মন্ত্ৰীগৰাকীয়ে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে আৰু সীমান্তৰে চলা সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ যুঁজৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সন্ত্ৰাসবাদ আৰু ইয়াৰ পৃষ্ঠপোষকসকলৰ বিৰুদ্ধে নিৰ্ণায়ক আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ আৱশ্যকতাৰ বিষয়ে গুৰুত্ব আৰোপ কৰে।

ooooo

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই ইটোৰ পিছত সিটো নিৰ্বাচনত পৰাজিত হৈ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ভিত্তিহীন কথা ক'বলৈ লৈছে বুলি অভিযোগ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী নাড্ডাই কালি এখন দৈনিক বাতৰি কাকতৰ বাবে ৰাহুল গান্ধীয়ে লিখা এটা নিবন্ধৰ জেৰ টানি মহাৰাষ্টৰ নিৰ্বাচনক লৈ কংগ্ৰেছ নেতাগৰাকীয়ে মিছা কোৱা বুলি অভিযোগ কৰে। শ্ৰী নাড্ডাই নিৰ্বাচনত পৰাজয়ৰ পাছত আত্ম মন্থনৰ পৰিৱৰ্তে বিচিত্ৰ ষড়যন্ত্ৰ ৰচনা কৰা বুলি দাবী কৰে। কোনো ধৰণৰ প্ৰমাণ অবিহনে শ্ৰী গান্ধীয়ে বিভিন্ন প্ৰতিষ্ঠানৰ প্ৰতিচ্ছবি ম্লান কৰাৰ চেষ্টা চলোৱা বুলিও বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে অভিযোগ উত্থাপন কৰে।

ৰাহুল গান্ধীয়ে তেওঁৰ নিবন্ধত যোৱা বছৰ অনুষ্ঠিত মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত ব্যাপক জালিয়াতিও হোৱা বুলি উল্লেখ কৰিছিল।

ooooo

উত্তৰ ৰে'লৱেই কাটৰা আৰু শ্ৰীনগৰৰ মাজত বন্দে ভাৰত ৰে'লগাড়ীৰ বাণিজ্যিক সেৱা আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুকুৰবাৰে কাটৰাৰ পৰা পতাকা জোকাৰি যাত্ৰাৰ শুভাৰম্ভ কৰা এই বন্দে ভাৰত ৰে'লগাড়ীয়ে কাশ্মিৰ উপত্যকাক দেশৰ বাকী অংশৰ লৈতে ৰে'লেৰে সংযোগ কৰিব।

ooooo

অসমৰ বান পৰিস্থিতি উন্নত হৈছে যদিও ১২ খন জিলাৰ ৩ লাখ ৩০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। কামৰূপ মহানগৰ জিলাত কালি বিয়লি বান আৰু ভূমিস্খলনৰ বাবে দুজন লোকে প্ৰাণ হেৰুৱায়। ইয়াকে লৈ এইবাৰ ৰাজ্যৰ প্ৰথম বান আৰু ভূমিস্খলনত বৰ্তমানলৈ মৃত্যু হোৱা লোকৰ সংখ্যা ২৩ লৈ বৃদ্ধি পালে। এইবাৰ বানত ৰাজ্যখনৰ এহেজাৰৰো অধিক গাঁও আৰু প্ৰায় এহেজাৰ ২৫০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। ৰাজ্য চৰকাৰে প্লাৱিত অঞ্চলসমূহত উদ্ধাৰ অভিযানৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীক নিয়োগ কৰিছে। অসম

ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৩৬ হাজাৰতকৈ অধিক লোকে ১৩৩ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ বিভিন্ন অংশত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈ আছে।

ৰাজ্যৰ অধিকাংশ জিলাত বৰষুণ কম হোৱাত ঘাই ঘাই নৈসমূহৰ জলপৃষ্ঠ হ্ৰাস পাইছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উজনি অসমৰ ঠাই বিশেষে মজলীয়া বৰষুণ হ'ব পাৰে বুলি আগলী বতৰা দিছে।

00000

মণিপুৰ চৰকাৰে যোৱা নিশা ১১ বাজি ৪৫ মিনিটৰ পৰা কাৰ্যকৰী হোৱাকৈ ৫ দিনৰ বাবে ৰাজ্যখনৰ পাঁচখন জিলাত ইণ্টাৰনেট আৰু ম'বাইল ডাটা সেৱা বন্ধ কৰিছে। এই জিলাকেইখন হৈছে- পশ্চিম ইম্ফল, পূব ইম্ফল, থৌবল, বিষ্ণুপুৰ আৰু কাকসিং। ৰাজ্যখনৰ গৃহ বিভাগৰ আয়ুক্তসচিব এন অশোক কুমাৰে কৈছে যে, জিলাকেইখনত আইন শৃংখলাৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সমাজ বিৰোধী শক্তিয়ে সামাজিক মাধ্যম ব্যৱহাৰ কৰি ঘৃণা বিয়পোৱা ফটো, মন্তব্য তথা ভিডিঅ' বাৰ্তাৰে জনসাধাৰণক বিপথে পৰিচালিত কৰিব পাৰে বুলি আশংকা কৰি এই সিদ্ধান্ত লোৱা হৈছে। কোনো লোকে এই নিৰ্দেশ ভংগ কৰিলে আইনী ব্যৱস্থাৰ মুখামুখি হ'ব লাগিব বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে যোৱা নিশা আৰাম্বাই টেংগোল নামৰ এজন মেইটেই নেতাক গ্ৰেপ্তাৰক কেন্দ্ৰ কৰি পূব ইম্ফল আৰু পশ্চিম ইম্ফল জিলাত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ পাছত এই নিৰ্দেশ জাৰি কৰা হয়।

00000

সেৱা, সুশাসন আৰু গৰীৱ কল্যানৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ বিগত এটা দশকত দেশৰ আমূল পৰিৱৰ্তন সাধন হৈছে। আকাশবাণী বাতৰি সেৱা বিভাগে চৰকাৰে বিভিন্ন খণ্ডত যোৱা এঘাৰটা বছৰত চলোৱা প্ৰচেষ্টা সন্দৰ্ভত বিশেষ প্ৰতিবেদন প্ৰচাৰ কৰিবলৈ লৈছে। এনে প্ৰচেষ্টাৰ অংশ হিচাপে আজি শুনক মধ্যবিত্ত শ্ৰেণীক সৱল কৰি তোলা বিভিন্ন বিত্তীয় সংস্কাৰ সন্দৰ্ভত আমাৰ এক প্ৰতিবেদন।

***(বাইট)***

00000

ফ্ৰেঞ্চ অ'পেন টেনিছ প্ৰতিযোগিতাৰ মহিলা ছিংগলছৰ ৰোমাঞ্চকৰ ফাইনেলত যোৱা নিশা আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক'ক' গ'ফে বিশ্বৰ একনম্বৰ স্থানৰ খেলুৱৈ বেলাৰুছৰ আৰ্য়ানা ছাবালেংকাক ৬-৭, ৬-২, ৬-৪ ছেটত পৰাস্ত কৰি প্ৰথমটো ৰোনাল গ্যাৰো খিতাপ আৰু দ্বিতীয়টো গ্ৰেণ্ডশ্লেম খিতাপ অৰ্জন কৰে। এই জয়ৰ সুবাদত ২১ বছৰীয়া গ'ফ ২০১৫ চনত ছেৰেনা উইলিয়ামছৰ পাছত ফ্ৰেঞ্চ অ'পেন টেনিছৰ মহিলাৰ ছিংগলছৰ খিতাপ দখল কৰা প্ৰথমগৰাকী আমেৰিকীয় মহিলা আৰু ২০০২ চনত উইলিয়ামছৰ পাছত এনে কৃতিত্ব অৰ্জন কৰা আমেৰিকাৰ আটাইতকৈ কম বয়সৰ খেলুৱৈৰূপে পৰিগণিত হয়।

পুৰুষৰ ছিংগলছৰ ফাইনেলত আজি বিশ্বৰ প্ৰথম স্থানৰ খেলুৱৈ জানিক ছিনাৰ যোৱাবাৰৰ ছেম্পিয়ন কাৰ্লছ আল কাৰাজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছিনাৰে ছেমি ফাইনেলত পূৰ্বৰ ছেম্পিয়ন নভাক জকভিছক ৬-৪, ৭-৫, ৭-৬ ছেটত পৰাস্ত কৰে। আনহাতে আল কাৰাজে প্ৰতিদন্দ্বী লৰেঞ্জ' মুছেটিৰ আঘাটৰ বাবে ছেমি ফাইনেল নেখেলাকৈয়ে ফাইনেলত প্ৰৱেশ কৰে। ইপিনে, মহিলাৰ ডাবলছৰ ফাইনেলত বিশ্বৰ দ্বিতীয় স্থানৰ ইটালীৰ ছাৰা ইৰাণী আৰু জেছমিন পাঅ'লিনি কাজাখস্তানৰ আন্না ডেনেলিনা আৰু ছাৰ্ভিয়াৰ আলেকজেন্দ্ৰা ক্ৰুনিকৰ সন্মুখীন হ'ব।

00000

ভাৰতীয় খেলুৱৈসকলে টাইৱানৰ চিৰাজ চহৰত অনুষ্ঠিত টাইৱান অপেন এথলেটিক্স ছেম্পিয়নশ্বিপৰ প্ৰথম দিনাই ছটাকৈ সোণৰ পদক অৰ্জন কৰি গৌৰৱ কঢ়িয়াই আনিছে। **পুজাই** কালি মহিলাৰ ১৫ মিটাৰ দৌৰত দেশৰ হকে প্ৰথমটো সোণৰ পদক অৰ্জন কৰে। **আব্দুল্লা আবু বাকেৰে** পুৰুষৰ ত্ৰিপল জাম্পত ১৬ দশমিক ২ -১ মিটাৰ দূৰত্বলৈ জপিয়াই সোণৰ পদক হস্তগত কৰে। একেদৰে **জ্যোতি য়াৰাজিয়ে** মহিলাৰ এশ মিটাৰ বাধা দৌৰত আৰু **তেজাশ শিৰ্ছে** পুৰুষৰ ১১০ মিটাৰ বাধা দৌৰত সোণৰ পদক অৰ্জন কৰে। পুৰুষৰ ফোৰ ইন টু হাণ্ড্ৰেড মিটাৰ ৰীলে দৌৰত অম্লান বৰগোহাই, গুৰবিন্দৰ সিং, অনিমেশ কুজুৰ আৰু মনিকান্ত হবলিধৰক লৈ গঠিত ভাৰতীয় দলটোৱে ৩৮ দশমিক ৭-৫ চেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি সোণৰ পদক লাভ কৰে। ভাৰতে মহিলাৰ এশ মিটাৰ ৰীলে দৌৰত আনটো সোণৰ পদক লাভ কৰে।

ooooo

সমাপ্ত